# ২.০ দ্বিতীয় অধ্যায়
# শৰণীয়া-কছাৰীসকলৰ ধ্বনিতত্ত্ব আৰু বাক্যতত্ত্ব

শৰণীয়া-কছাৰীসকল যিহেতু নৃগোষ্ঠীয়ভাবে মংগোলীয় প্ৰজাতিৰ অন্তৰ্ভুক্ত আৰু ভাষাগতভাবে তীব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত, সেয়েহে এটা সময়ত তেওঁলোকৰ ভাষা তিব্বত-বৰ্মী ভাষাৰ অন্তৰ্ভুক্ত অইন ভাষাসমূহৰ নিচিনা আছিল। কিন্তু সময়ৰ লগে-লগে আৰ্য ভাষা-সংস্কৃতিৰ প্ৰভাৱত তেওঁলোকৰ ভাষাত আৰ্য-অনাৰ্যৰ মিশ্ৰণৰ ফলত এটা মিশ্ৰিত ভাষাৰ সৃষ্টি হৈছিল। "আৰ্য-অনাৰ্যৰ ভাষাবোৰৰ সংমিশ্ৰণত গঢ় লৈ উঠা পুৰণি কামৰূপৰ ভাষাৰ সৈতে শৰণীয়াসকলৰ কথিত ভাষাৰ কোনো তফাৎ নাই ।"[৪৪] বৰ্তমান শৰণীয়া-কছাৰী লোকসকলে কোৱা কথিত অসমীয়া ভাষাটোত বহুত পৰিমাণে কামৰূপী ভাষাৰ আধিক্য দেখা যায়। শৰণীয়া-কছাৰীসকলে অসমীয়া ভাষাকে মাতৃভাষা হিচাপে গ্ৰহণ কৰি অসমীয়া ভাষাতে পঢ়া-শুনা, লেখা-মেলা, গীত-মাত, পদ আদি ৰচনা কৰি আহিছে যদিও তেওঁলোকে ব্যৱহাৰ কৰা ঘৰুৱা ভাষাটোৰ এটা নিজস্ব শৈলী আছে। সেই শৈলীটো তেওঁলোকে কোৱা অসমীয়া ভাষাটোৰ সুৰত শুনা যায়, শব্দ সম্ভাৰত শুনা যায় আৰু বহুত ক্ষেত্ৰত বাক্য গাঁঠনিটো দেখা যায়। "এইসকল শৰণীয়া-কছাৰীলোকে অসমীয়া ভাষাই কয় যদিও কথা কোৱাৰ ঢং, উচ্চাৰণ, ঠাঁচ কিছু সুকীয়া সুকীয়া।"[৪৫] অসমীয়া ভাষা হৈও জনজাতীয় সুৰ ভাবেৰে পুষ্ট শৰণীয়া-কছাৰী ভাষাটো এটি বিশেষত্বপূৰ্ণ ভাষা। "প্ৰকৃততে শৰণীয়া-কছাৰী লোকসকলে ব্যৱহাৰ কৰা ভাষাটো অসমীয়া ভাষাৰ এক অপভ্ৰংশ ৰূপ।"[৪৬] শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাটোৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আদি দিশৰ লগত নামনি অসমৰ ভাষাৰ স্থানীয় ৰূপসমূহৰ স্পষ্ট সীমা নিৰ্ধাৰণ কৰিব নোৱাৰি যদিও ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব

---

৪৪। ৰাভা হাকাচাম, উপেন ঃ *শৰণীয়া কছাৰী কথিত অসমীয়া ঃ এটি বিশ্লেষণাত্মক আলোচনা,* স্মৃতিগ্ৰন্থ, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা, ২০১৭, পৃ. ২০

৪৫। ৰাভা হাকাচাম, উপেন ঃ *উক্ত প্ৰবন্ধ,* পৃ. ২১

৪৬। দাস, কামেশ্বৰ ঃ *অসমীয়া ভাষাৰ লগত শৰণীয়া কছাৰীসকলৰ উপভাষাৰ এক তুলনামূলক আলোচনা,* স্মৃতিগ্ৰন্থ, সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা, ২০০৭, পৃ. ৫০

আৰু শব্দসম্ভাৰৰ ক্ষেত্ৰত শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাটো উজনি অসমৰ উপভাষাৰ পৰা বহু পৰিমাণে পৃথক হোৱা দেখা যায়। সেইদৰে নামনি অসমৰ উপভাষাসমূহৰ পৰাও শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাটো কিছু পৰিমাণে পৃথক হোৱা দেখা যায়।

## ২.১ শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ ধ্বনিগত বৈশিষ্ট্য ঃ

### ২.১.১ স্বৰধ্বনি ঃ

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত মান্য অসমীয়া ভাষাত উচ্চাৰিত ৮ টা স্বৰধ্বনিৰ ঠাইত ৭ টা স্বৰধ্বনি শুনিবলৈ পোৱা যায়। সেই কেইটা হ'ল - /ই/, /এ/, /আ/, /উ/,/ও/, / অ/, / অ'/। /এ'/ বিশিষ্ট স্বৰধ্বনিৰ উপস্থিতি নাই বুলিয়েই ক'ব পাৰি।

জিভাৰ অংশ আৰু উচ্চতা অনুসৰি শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাৰ স্বৰধ্বনিসমূহ তালিকাবদ্ধ কৰা হ'ল -/

| | জিভাৰ অংশ অনুসৰি | প্ৰান্তীয় | কেন্দ্ৰীয় | মূলীয় |
|---|---|---|---|---|
| জিভাৰ অৱস্থান অনুসৰি | ওঠৰ অৱস্থান অনুসৰি | বিবৃতৌষ্ঠ | | সংবৃতৌষ্ঠ |
| | উচ্চ | ই /i/ | | উ /u / |
| | উচ্চমধ্য | | | ও /o/ |
| | নিম্নমধ্য | এ /ɛ/ | | অ' / ɔ/ |
| | নিম্ন | | আ / a / | অ / ɒ/ |

#### ২.১.১.১ স্বৰধ্বনিৰ প্ৰয়োগ ঃ

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ আদি, মধ্য আৰু অন্ত্যস্থানৰ প্ৰয়োগ দেখুওৱা হ'ল ---

**আদিস্থানত ঃ**

| **বিশিষ্ট ধ্বনি** | **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|---|
| / ই / | ইতে/ ইতান | এতিয়া |
| / উ/ | উধান | চৌকা |
| / এ/ | এমান | ইমান |
| / অ'/ | অ'জা | ওজা |
| / অ/ | অজন | ওজন |
| / ও/ | ওষধ | ঔষধ |
| / আ/ | আতা | ককা |

**মধ্যস্থানত ঃ**

| **বিশিষ্ট ধ্বনি** | **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|---|
| / ই / | কিতান | কেতিয়া |
| / উ / | তামুল | তামোল |
| / এ / | দেখলুং | দেখিলো |
| / অ' / | ভ'খ/ ম'ক | ভোক/ মোক |
| / অ / | খক/ বক | খকুৰা/ কোৰা |
| / ও / | দোপে দোপে | দোপত দোপে |
| / আ / | নাঙাল | নাঙল |

**অন্ত্যস্থানত ঃ**

| **বিশিষ্ট ধ্বনি** | **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|---|
| / ই / | দেশালি | দিয়াচলাই |
| / উ / | লউ | লওঁ |
| / এ / | দোপে দোপে | দোপত দোপে |
| / অ' / | ৰব' | ৰবাব/ হুক্মা টেঙা |
| / অ / | বিয় | বিয়া |

| | | |
|---|---|---|
| / ও / | লুও | লওঁ |

### ২.১.১.২ স্বৰ সংযুতি ঃ

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত দ্বিস্বৰ ধ্বনিৰ প্ৰয়োগ অধিক পৰিমাণে দেখা যায়। তেনেকুৱা কেইটামান দ্বিস্বৰ হৈছে - আউ, আই, উও, এই, ওই, উই, আও ইত্যাদি।

| | শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|---|
| / আউ / ঃ | দআউৰই ‘দাউৰি’ | দৌৰি |
| | নআউমআন ‘নাউমান’ | কম |
| | শআউহএক ‘শাউহেক’ | শাহুৰেক |
| / আই / ঃ | আইচআ ‘আইচা’ | আহিছা |
| | আইচইকও ‘আইচিকো’ | আইহাৰে/ আইচিকো |
| | আইভআ ‘আইভা’ | আহিবা |
| | কআইজআ ‘কাইজা’ | কাজিয়া |
| | কআৰআই ‘কাৰাই’ | কাৰৈ |
| | খআলআই ‘খালাই’ | খালৈ |
| | বআইদও ‘বাইদো’ | বাইদেউ |
| / উও/ ঃ | লউও ‘লুও’ | লও |
| / এই/ ঃ | গঅৰএই ‘গৰেই’ | গৰৈ |
| | জআখএই ‘জাখেই’ | জাকৈ |
| | মআকএই ‘মাকেই’ | মাকৈ |
| | হএই ‘হেই’ | হেই/ হেয়া |
| / আও/ ঃ | ওঠআও ‘ওঠাও’ | উঠোৱা |
| | গউচআও ‘গুচাও’ | গুচোৱা |
| | চআও ‘চাও’ | চোৱা |
| | চইলআও ‘চিলাও’ | সিয়া |

| | | |
|---|---|---|
| | জঅপআও ‘জপাও’ | বন্ধকৰ |
| | দএখআও ‘দেখাও’ | দেখুওৱা |
| | পওনআও ‘পোনাও’ | পোনকৰ |
| / উই/ ঃ | তউই ‘তুই’ | তই |
| | মউইহ ‘মুইহ’ | ম’হ/ মই |
| | লউই ‘লুই’ | লৈ |

**২.১.১.৩ স্বৰধ্বনিসমূহৰ পৰিবৰ্তন ঃ**

মান্য অসমীয়া ভাষাৰ লগত শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ প্ৰয়োগৰ ক্ষেত্ৰত কিছুমান তাৰতম্য ঘটা পৰিলক্ষিত হয়।

১। শৰণীয়া-কছাৰীসকলৰ ভাষাত দুটা /আ/ ধ্বনি ওচৰা ওচৰিকৈ ব্যৱহাৰ হয়, যিটো মান্য অসমীয়া ভাষাত দেখা নাযায় ---

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| আন্ধাৰ | এন্ধাৰ |
| গাজাল | গজাল |
| ছাতা | ছাতি |
| জাপা/ ঝাপা | জপা |
| তালা | তলা |
| পাৰা | পাৰ |

২। মান্য অসমীয়াৰ উচ্চ-মধ্য (High Mid) /ও/ o / আৰু নিম্ন-মধ্য (Low Mid) /এ/ ɛ / সাধাৰণতে উচ্চস্বৰত পৰিণত হয়।

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| আকুৱালি | আকোৱালী |
| ইতে / ইতান | এতিয়া |
| উকনি | ওকনি |
| উপৰ | ওপৰ |

| | |
|---|---|
| উৰনি | ওৰণি |
| কিতান | কেতিয়া |
| তামুল | তামোল |
| দেখুন | দেখোন |

৩। মান্য অসমীয়া ভাষাৰ ক্ৰিয়াশব্দৰ অন্ত্য /ও/ ধ্বনিটো শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত নাসিক্য ধ্বনিলৈ পৰিবৰ্তন হয়। কেতিয়াবা উচ্চ-মধ্য /ও/ ধ্বনিটো উচ্চ /উ/ ধ্বনিলৈ পৰিবৰ্তন হোৱা দেখা যায়। শব্দৰ শেষত অনুস্বৰৰ আগম উল্লেখযোগ্য।

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| আইহলং / আইইলুং | আহিলোঁ |
| কৰং | কৰোঁ |
| কুৰলুং/ কুৰলং | কৰিলোঁ |
| খাং | খাওঁ |
| খালুং/ খালং | খালোঁ |
| গিলুং / গেলং | গলোঁ |
| গাং | গাঁও |
| চিঙ্‌লুং | চিঙিলোঁ |
| দাঙ্‌লুং | দাঙিলোঁ |
| দিলুং/ দিলং | দিলোঁ |
| পঢ়ং | পঢ়োঁ |
| পহল্লুং | পঢ়িলোঁ |
| পাং | পাওঁ |
| পালুং | পালোঁ |
| মুল্‌লং / মৰিলুং | মৰিলোঁ |
| লং | লঁও |
| লিখ্‌লুং | লিখিলোঁ |
| যাং | যাওঁ |

৪। মান্য অসমীয়াত থকা অল্পপ্ৰাণ ধ্বনি শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত প্ৰায়ে মহাপ্ৰাণ ধ্বনি হয়।

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| চখু | চকু |
| জাখে | জাকৈ |
| ফেলা | পেলা |
| ভখ/ ভ'খ | ভোক |

৫। মান্য অসমীয়া শব্দৰ আদি আৰু মধ্যত থকা /ও/ ধ্বনি প্ৰায়ে শৰণীয়া-কছাৰীত /অ/ ধ্বনিলৈ ৰূপান্তৰিত হয়।

| **শৰণীয়া কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| অজা | ওজা |
| চৰ | চোৰ |
| জতা | জোতা |
| ঢল | ঢোল |
| তক | তোক |
| ফট | ফোঁট |
| ফৰাল/ ভজ | ভোজ |
| লহ | লোহা |

৬। মান্য অসমীয়াৰ নিম্নস্বৰ ধ্বনি প্ৰায়ে উচ্চস্বৰ ধ্বনিলৈ ৰূপান্তৰিত হোৱাটো শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাৰ অন্যতম বৈশিষ্ট্য।

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| কুন | কোন |
| কুম্‌ৰা | কোমোৰা |
| তুমাৰ | তোমাৰ |

৭। মান্য অসমীয়া শব্দৰ অন্তত থকা /আ/ স্বৰধ্বনি শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত প্ৰায়ে

/অ’/ স্বৰধ্বনিলৈ পৰিবৰ্তন হয়।

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| চাৰিট’ | চাৰিটা |
| তিত’ | তিতা |
| পিঠ’ | পিঠা |
| ফিট’ | ফিটা |
| মিঠ’ | মিঠা |
| শিঠ’ | শিঠা |

৮। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত কেতিয়াবা শব্দৰ অন্তত স্বৰধ্বনি /আ/ ৰ আগম হয়। যেনে -

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| কণ্ঠনলা | কণ্ঠনলী |
| গলা | কান্ধ |
| মুখা | মুখ |

৯। কেতিয়াবা আকৌ শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত শব্দৰ মধ্যস্থানত /ও/ বা /অ/ ধ্বনিৰ আগম হোৱা দেখা যায় ---

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| লোও / লউ | লওঁ |

১০। মান্য অসমীয়াৰ ‘ঐ’ ধ্বনি ‘ই’ ধ্বনিলৈ ৰূপান্তৰিত হয়---

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| গিছিল | গৈছিল |

১১। মান্য অসমীয়াৰ শব্দৰ অন্তত থকা ‘এ’ ধ্বনি শৰণীয়া-কছাৰীৰ ‘ই’ ধ্বনিলৈ পৰিৱৰ্তন হয়-

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| কৰিলি | কৰিলে |

## ২.১.১.৪ অপিনিহিতি ঃ

"কোনো শব্দৰ পৰৱৰ্ত্তী অক্ষৰত থকা /ই/ বা /উ/ স্বৰধ্বনি পূৰ্বৱৰ্ত্তী অক্ষৰলৈ আহি সেই অক্ষৰৰ স্বৰধ্বনিৰ সৈতে লগলাগি উচ্চাৰিত হোৱা নিয়মক অপিনিহিতি বোলে।"[৪৭]

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত সীমিত সংখ্যক অপিনিহিতি থকা দেখা যায়।

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| আই্ভা | আহিবা |
| কাই্জা | কাজিয়া |
| কুই্হাৰ | কুঁহিয়াৰ |
| মই্জা | মজিয়া |
| শাউ্হেক | শাহুৰেক |

## ২.১.১.৫ স্বৰাগম ঃ

| | **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|---|
| **আদি স্বৰাগম** | ইচ্কুল | স্কুল |
| | ইচ্কেল | স্কেল |
| | ইচ্টেচন | ষ্টেচন |
| **মধ্য স্বৰাগম** | গাছ | গছ |
| | নাঙাল | নাঙল |
| | নিগিলি | নগলি |
| | বুৰুখান | বৰযুণ |
| | লুগা | লগা |
| | হাত | হঁত |

---

৪৭। গোস্বমী, উপেন্দ্ৰ নাথ ঃ *ভাষা বিজ্ঞান*, পৃ. ১৪১

| | | |
|---|---|---|
| **অন্ত্য স্বৰাগম** | গাঁতা | গাঁত |
| | ডাঠা | ডাঠ |
| | দাও | দা |
| | পোকা | পোক |
| | মূৰা | মূৰ |

**২.১.১.৬ ধ্বনি বিপৰ্যয় ঃ**

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত মান্য অসমীয়া ভাষাৰ শব্দৰ দৰে দুটা ধ্বনিৰ স্থানৰ পৰিবৰ্তন হৈ বৰ্ণ বিপৰ্যয় হয়। ধ্বনিৰ সৰলীকৰণ, অনুকৰণৰ অপূৰ্ণতা আদিৰ কাৰণে ধ্বনিসমূহৰ পাৰস্পৰিক স্থান পৰিবৰ্তন হয় বা কেতিয়াবা কোনো ধ্বনিৰ বিলোপ হয়।

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| আইভা | আহিবা |
| ইতান | এতিয়া |
| তিতান | তেতিয়া |
| নেহৰু/ৰহুন | নহৰু |
| শাউহেক | শাহুৰেক |

**২.১.২ ব্যঞ্জন ধ্বনি ঃ**

স্বৰধ্বনিৰ দৰে ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰটো শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাতো মান্য অসমীয়া ভাষাত ব্যৱহৃত ধ্বনিসমূহেই ব্যৱহাৰ কৰা হয়। "মান্য অসমীয়াত উচ্চাৰণৰ ক্ষেত্ৰত যিকেইটা স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ আছে, শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাতো ও সিমানকেইটা স্বৰ আৰু ব্যঞ্জন ধ্বনিৰেই প্ৰয়োগ দেখা যায়।" [৪৮] মান্য অসমীয়াৰ /প/, /ফ/, /ব/, /ভ/, /ত/, /থ/, /দ/, /ধ/, /ক/, /খ/, /গ/, /ঘ/, /ম/, /ন/, /ঙ/, /ল/, /ৰ/, /চ/, /জ/, /স/, /হ/ এই একৈশটা ব্যঞ্জন ধ্বনিৰ লগতে শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাটোত সংস্কৃতৰ তালব্য স্পৰ্শ ব্যঞ্জন /ঝ/ ধ্বনিটো বিশিষ্ট

৪৮। ডেকা, তাৰিনী ৰঞ্জন ঃ *শৰণীয়া-কছাৰী ভাষা আৰু ভাষাতাত্ত্বিক চমু বিশ্লেষণ,* স্মৃতিগ্ৰন্থ, সদৌ অসম শৰণীয়া ছাত্ৰ সন্থা, ২০১৭, পৃ. ৮২

ব্যঞ্জন ধ্বনি হিচাপে কেতিয়াবা ব্যৱহাৰ হোৱা দেখা যায়। ‘জ’ বিশিষ্ট ধ্বনিটোৱেই দুই এটি শব্দত ‘ঝ’ হিচাপে উচ্চাৰিত হয়। ‘ঝ’ ধ্বনি ব্যৱহাৰ হোৱা কেইটামান শব্দ হ’ল -

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| ওঝা | ওজা |
| জায়া/ঝীয়া | জীয়েক |
| ঝাক | জাক |
| ঝালুক | জালুক |
| ঝাপমাৰ | জাপমাৰ |
| ঝিকা | জিকা |
| ঝিয়া | ফৰিং |
| ঝুমুৰ | জুমুৰ |
| ঝুলাৰ ঝুলুৰ | ৰুনুক জুনুক |

তলত উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাৰ ব্যঞ্জন ধ্বনিৰ তালিকা দাঙি ধৰা হ’ল -

| উচ্চাৰণৰ স্থান অনুসৰি | ঔষ্ঠ্য | | দন্তমূলীয় | | তালব্য | | পশ্চতালব্য | | কণ্ঠ | |
|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ অনুসৰি | অ | স | অ | স | অ | স | অ | স | অ | স |
| অল্পপ্ৰাণ স্পৰ্শ | প/p/ | ব/b/ | ত/t/ | দ/d/ | | | ক/k/ | গ/g/ | | |
| মহাপ্ৰাণ | ফ/ph/ | ভ/bh/ | | থ/th/ | ধ/dh/ | | | খ/kh/ | ঘ/gh/ | |
| নাসিক্য | | ম/m/ | | ন/n/ | | | | ঙ/n/ | | |
| উষ্ম | | | চ/s/ | জ/z/ | ঝ/zh/ | | স/x/ | | | হ/h/ |
| পাৰ্শ্বিক | | | | ল/l/ | | | | | | |
| কম্পিত | | | | | ৰ/r/ | | | | | |

তালিকা - ২

**২.১.২.১ ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ ঃ**

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ আদি, মধ্য আৰু অন্ত্যস্থানৰ প্ৰয়োগ পোৱা যায়। কেৱল 'ঙ' ধ্বনিৰ আদি স্থানত প্ৰয়োগ দেখা নাযায়।

তলত শৰণীয়া কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ প্ৰয়োগ দেখুওৱা হ'ল

| ধ্বনি | আদি | মধ্য | অন্ত্য |
|---|---|---|---|
| /প/ | পালুং, 'পালোঁ' | নুপুহুং, 'নুপোহোঁ' | খপ, 'টুপী' |
| /ফ/ | ফোৰণ, 'ভোজ' | হেফাজী, 'সন্দেহজনক' | চাফা, ' পৰিস্কাৰ' |
| /ব/ | বিলি, 'সূৰ্য' | লেবৰাহাতা, 'বাওহতীয়া' | চব, 'সকলো' |
| /ভ/ | ভুতভুতি, 'পেটচলা' | তেলভুকা, 'পইতাচেৰা' | লাভ, 'প্ৰেম' |
| /ম/ | মতন, 'দৰে' | ৰিমা, 'লাজুকী' | শ্ৰুতিনাম, 'শ্ৰোতাবৃন্দ' |
| /ত/ | তিতাদুপৰ, 'সিদিনা' | অঁৰতৰি, 'শৰাই' | বেলাভাটিত, 'আবেলিত ' |
| /থ/ | থাকা, 'থকা' | সেনথ্ৰ, 'সিহঁতৰ' | থ', 'থোৰা' |
| /দ/ | দুপৰ, 'দিন' | দুপাদুপী, 'আজিকালি' | ধ'দ, 'এলেহুৱা' |
| /ধ/ | ধৰি, 'সৈতে' | সুধু, 'সোধো' | সুধ্, 'সোধ' |
| /ন/ | ন'জিমাৰা, 'হাচিমাৰা' | পুনৰু, 'পনীৰ' | তিতান, 'তেতিয়া' |
| /ক/ | কাৰিলৌ, 'কাঢ়িল' | দেৰিকয়, 'পলমকৈ' | শিৰপেক, 'জিকা' |
| /খ/ | খখুৰা, 'খকুৰা' | শেখত, 'শেষত' | বয়খ, 'বয়স' |
| /গ/ | গিছি, 'গৈছে' | লিগি, 'লৈ' | ভুগ, 'ভোগ' |
| /ঘ/ | ঘাটুৱাল, 'হ'কাৰ' | উঘাল, 'উভালা' | মাঘ, 'মাঘ মাহ' |
| /ঙ/ | -------------- | পঙীপিঠা,'তেলপিঠা' | পাঙ, 'পাঁও' |
| /চ/ | চময়, 'সময়' | উৰচি, 'উৰিছে' | চুচ, 'ফনীওৱা' |
| /জ/ | জালা, 'জলকীয়া' | গাজী, 'নৈবদ্য' | পেজ, 'পিয়াজ' |
| /ৰ/ | ৰূপৰ, 'নিশা' | অৰচেং, 'ধৰ্মপুথি' | মাজৰূপৰ, 'মাজৰাতি' |
| /ল/ | লিখাচন, 'পৰীক্ষা' | জলখাৰী, 'পুখুৰী' | বনচাল, 'কাৰ্যসূচী' |
| /স/ | সতে, 'সৈতে' | ৰসমলা, 'ৰসগোল্লা' | উস, 'উস' |
| /হ/ | হয়না, 'হয়নে' | নহ্লিবা, 'নাইবা' | লহ, 'লোহা' |

#### ২.১.২.২ ব্যঞ্জন-সংযুক্তি ঃ

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত যুক্ত ব্যঞ্জনৰ ব্যৱহাৰ সীমিত। কেৱল দুটা ব্যঞ্জনৰ সংযুক্তিহে কিছু পৰিমাণে পোৱা যায়। অৱশ্যে কেতিয়াবা তিনিটা ব্যঞ্জনযুক্ত শব্দ পোৱা যায়। যেনে -

| | | | |
|---|---|---|---|
| কচ | মওকচআ | মোক্চা | গামোচা |
| কল | দআকলআ | দাক্লা | দাকিলে |
| কচ | বআকচআ | বাক্চা | বাকচ |
| কৰ | বঅকৰআ | বক্ৰা | খোনা |
| কৰ | কআকৰআ | কাক্ৰা | কেঁকোৰা |
| কৰ | মইকৰই | মিক্ৰি | মেকুৰী |
| খন | বআখনআৰা | বাখ্নাৰা | শলাগ লোৱা |
| খম | লঅখমন | লখমন | লক্ষ্মণ |
| খৰ | ৰখৰএ | ৰখ্ৰে | ৰখা |
| ঘল | দঈঘলআ | দীঘ্লা | দীঘল |
| ঙগ | গঙগআ | গংগা | গংগা |
| ঙ্ঠ | লঙঠআ | লঙঠা | নাঙঠ |
| ঙত | থআকঙতএ | থাকংতে | থাকোঁতে |
| ঙন | নইঙনই | নিঙ্নি | নিগনি |
| চছ | কঅচছই | কচ্ছি | কৰিছে |
| চত | হঅচতই | হচ্তি | হাতী |
| চন | বআচনঈ | বাচ্নী | মঙল/বাচনি |
| ঠম | জএঠমআ | জেঠ্মা | জেঠী |
| তছ | মআতছএ | মাত্ছি | মাতিছে |
| থথ | তঈথথঅ | তীত্থ | তীৰ্থ |
| দদ | অবইদদআ | অবিদ্দা | অবিদ্যা |
| দল | মএদলআ | মৈদ্লা | শকত |

| | | | |
|---|---|---|---|
| দল | মএদলআ | মেদ্‌লা | শকত |
| ধল | মএধলআ | মেধ্‌লা | বাহুবলী |
| নচ | পআনচ | পানচ্‌ | পাচ |
| ন্জ | জনজআ | জন্‌জা | যজা |
| নদ | সইনদউৰ | সিন্‌দুৰ | সেন্দুৰ |
| নন | পউনন | পুন্ন | পূণ্য |
| প্ন | তপনআ | তপ্‌না | তপিনা |
| পৰ | পৰআথও | প্ৰাথো | প্ৰাৰ্থনা |
| বৰ | লআবৰআ | লাব্‌ৰা | তৰকাৰী |
| মচ | গআমচআ | গাম্‌চা | গামোচা |
| মপ | চউমপইবআ | চুম্পিবা | চুহিবা |
| মব | বইৰঅমবইবউ | বিৰম্বিবু | বধিব |
| ৰখ | চঅৰখআ | চৰ্‌খা | গৰকা |
| ৰ্চ | কৰচআ | কৰ্‌চা | কৰিছা |
| ৰদ | হআৰদই | হাৰ্‌দি | হাড় |
| ৰব | কঅৰবআ | কৰ্‌বা | কৰিবা |
| ৰব | মআৰবআ | মাৰ্‌বা | মাৰিবলৈ |
| ৰম | ফইৰমইতই | ফিৰ্মিতি | ফৰ্মূতি |
| ৰল | উৰলআক | উৰ্‌লাক | উৰিলে |
| ৰ্হ | গআৰহইছএ | গাৰ্হিছে | গঢ়িছে |
| লগ | নআলগএ | নাল্‌গে | নালাগে |
| লঙ | চআলঙনই | চাল্‌ঙি | চালনী |
| লধ | হআলধই | হালধি | হালধী |
| লম | চএলমআ | চেল্‌মা | চোলা |
| লল | এললই | এল্লি | এৰিলে |

| | | | |
|---|---|---|---|
| শল | দএশলঈ | দেশ্লি | দিয়াচলাই |
| সথ | গইৰআসথ | গিৰাস্থ | গৃহস্থ |

### ২.১.২.৩ ব্যঞ্জন ধ্বনিসমূহৰ পৰিবৰ্তন ঃ

বিভিন্ন কাৰণত ভাষাত ধ্বনিসমূহৰ পৰিবৰ্তন হ'ব পাৰে। বিশেষকৈ অনুকৰণৰ অপূৰ্ণতা, অজ্ঞতা, কথন ভংগীৰ ক্ষীপ্ৰতা, ভাৱপ্ৰৱণতা, আন ভাষাৰ প্ৰভাৱ, অন্ধবিশ্বাস আদিৰ উপৰিও সামাজিক, ভৌগোলিক, ৰাজনৈতিক আদি কাৰণত বা প্ৰভাৱৰ ফলত ধ্বনিৰ পৰিবৰ্তন ঘটে। শৰণীয়া-কছাৰীসকলে কোৱা কথিত অসমীয়া ভাষাত ব্যঞ্জন ধ্বনিসমূহৰ পৰিবৰ্তন হোৱা পৰিলক্ষিত হয়। তলত ব্যঞ্জন ধ্বনিসমূহৰ পৰিবৰ্তনৰ দিশ দেখুওৱা হ'ল ---

১। মহাপ্ৰাণীভৱন শৰণীয়া-কছাৰীৰ কথিত অসমীয়া ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য। মান্য অসমীয়া ভাষাত থকা অল্পপ্ৰাণ ধ্বনি শৰণীয়াসকলৰ কথিত অসমীয়া ভাষাত প্ৰায়ে মহাপ্ৰাণ ধ্বনি হয়। যেনে -

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| চখু | চকু |
| জাখে | জাকৈ |
| ফেলা | পেলা |
| ভ'খ | ভোক |

২। মান্য অসমীয়া ভাষাৰ দন্তমূলীয় উষ্ম /জ/Z/ ধ্বনি শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত কেতিয়াবা /ঝ/ ধ্বনিলৈ ৰূপান্তৰিত হয়। যেনে --

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| ওঝানী | ওজা |
| জায়া/ ঝীয়া | জীয়েক |
| ঝাক | জাক |
| ঝাপমাৰ | জাপমাৰ |
| ঝালুক | জলকীয়া |
| ঝালি | জালি |

| | |
|---|---|
| ঝিকা | জিকা |
| ঝুমুৰ | জুমুৰ |

৩। মান্য অসমীয়া ভাষাত থকা মধ্যবৰ্তী বা অন্তৰ্বৰ্তী ব্যঞ্জন ধ্বনি শৰণীয়া-কছাৰীৰ ভাষাত লোপ পায় আৰু তাৰ ঠাইত বিভিন্ন স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ আগম হয়--

| **শৰণীয়া-কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| চৈনাশালি | চুৰনিশালি |
| জীউ | জীৱ |
| ঢেখাল | ঢেকীশাল |
| নিংনি | নিগনি |
| পুঁই | পূৰৈ |
| যুংলি | যুৰলি |
| ৰব’ | ৰবাব |

৪। সৰলীকৰণ আৰু হ্ৰস্বীকৰণ শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য। কিছুমান শব্দৰ উচ্চাৰণত মধ্য ব্যঞ্জন বা মধ্যাক্ষৰ লোপ পায় আৰু শব্দৰ সংকোচন ঘটি চুটি হয়।

| **শৰণীয়া কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| গলিঘৰ | গোহালি ঘৰ |
| চাপাত | চাহপাত |
| চিৰাফল | চিৰিয়া ফল |
| ঢেখাল | ঢেকীশাল |
| দেশলী | দিয়াচলাই |
| দোপেদোপে | দোপতদোপে |
| দোবাপিতা | দোবালপিতা |

৫। স্বৰ আৰু ব্যঞ্জনৰ মধ্যৱৰ্ত্তী /ৰ/ ধ্বনিৰ উচ্চাৰণ প্ৰায়ে শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাত লোপ হোৱা দেখা যায়। লগতে লোপ হোৱা ধ্বনিটোৰ পৰৱৰ্তী ধ্বনিটো দ্বিত্ব হয়। যেনে --

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| আৰ্চ্চি | আৰ্চি |
| কীৰ্ত্তন | কীৰ্ত্তন |
| খচ্চী | খৰচী |

৬। মান্য অসমীয়াৰ ‘ৰ’ আৰু ‘ন’ ধ্বনি কেতিয়াবা ‘ল’ ধ্বনিলৈ পৰিবৰ্ত্তিত হয়। --

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| জৰুল | জৰুৰ |
| লাঙঠা | নঙঠা |
| লেজ | নেজ |
| লোম | নোম |

৭। কেতিয়াবা আকৌ ‘ৰ’ আৰু ‘ল’ ধ্বনি ‘ন’ ধ্বনিলৈ পৰিবৰ্তন হয়। --

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| নুন | লোন |
| লবাব/ নবাব | ৰবাব |

### ২.১.২.৪ শ্বাসাঘাত ঃ

মান্য অসমীয়া ভাষাত সাধাৰণতে শব্দৰ শেষ অক্ষৰৰ আগৰ অক্ষৰত অৰ্থাৎ উপধা অক্ষৰত শ্বাসাঘাত পৰে। কিন্তু শৰণীয়া-কছাৰী কথিত ভাষাত শব্দৰ আদি স্থানতেই শ্বাসাঘাত পৰে।

| শৰণীয়া-কছাৰী | মান্য অসমীয়া |
|---|---|
| আছ্লং | আছিলো |
| উপ্ৰেদি | ওপৰেদি |
| কুক্ৰা | কুকুৰা |
| কুম্ৰা’ | কোমোৰা |
| কম্লা | কমলা |

| | |
|---|---|
| গিছ্লং | গৈছিলো |
| টেক্‌লি | টেকেলি |
| ভুল্‌কা | ভুলুকা |
| মই্‌জা | মজিয়া |

**২.১.২.৫ বৰ্ণ বিপৰ্যয় ঃ**

বৰ্ণ বিপৰ্যয়ৰ দ্বাৰা ব্যঞ্জন ধ্বনিসমূহৰ একোটা শব্দতে স্থান পৰিবৰ্তন হোৱা নিয়ম শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাতো পৰিলক্ষিত হয়।

| **শৰণীয়া কছাৰী** | **মান্য অসমীয়া** |
|---|---|
| ৰিচকা | ৰিক্সা |
| ৰহুন | নহৰু |

**২.১.২.৬ সমীভৱন ঃ**

দুটা বিভিন্ন ধ্বনি ওচৰাচৰিকৈ থাকিলে কেতিয়াবা এটাৰ প্ৰভাৱত আনটোৰ পৰিবৰ্তন ঘটি সি সমৰূপতা লাভ কৰে। ইয়াকে ভাষাৰ সমীভৱন বোলে। শৰণীয়া-কছাৰীসকলৰ ভাষাতো ধ্বনিৰ সমৰূপতা দেখা যায়। এই ক্ষেত্ৰত কেতিয়াবা 'ৰ' ধ্বনিটো বিলুপ্ত হৈ 'ৰ'ৰ পৰৱৰ্তী ধ্বনিটো দ্বিত্ব হৈ সমীভৱন হয়।

| **শৰণীয়া কছাৰী** | | **মান্য অসমীয়া** |
|---|---|---|
| কৰ্দৈ | > | কদ্দৈ |
| তাৰদৰে | > | তাদ্দৰে |
| দৰ্জা | > | দজ্জা |
| পূৰ্ণিমা | > | পুন্নিমা |
| বৰধনী | > | বদ্ধনী |
| বৰালী | > | বল্লি |
| মোৰদৰে | > | মোদ্দৰে |

## ২.২ শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যতাত্ত্বিক বৈশিষ্ট্য ঃ

বাক্যতত্ত্বত বাক্যৰ সাধাৰণ ৰূপ গঠন প্ৰণালীৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা হয়। বাক্য হৈছে ভাষা এটাৰ শৰীৰ। এটা বা ততোধিক পদ লগ লগাই এটা অৰ্থপূৰ্ণ মনোভাৱ প্ৰকাশ কৰাকে বাক্য বোলে। বাক্য অবিহনে ভাষাৰ কলেৱৰৰ কথা কল্পনা কৰিব নোৱাৰি। বৰ্ণ, ধ্বনি, ৰূপ, শব্দ এইবোৰ লগহৈ এটা সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পৰা বাক্য গঠিত হয়। বাক্যৰ মাধ্যমেৰে সৃষ্টি হোৱা ভাষাৰ কাৰণে একো একোটা জাতিয়ে নিজৰ সাহিত্য-সংস্কৃতি আনৰ ওচৰত দাঙি ধৰিব পাৰে। সেয়েহে ভাষাৰ আলোচনাত বাক্যতত্ত্বৰ ভূমিকা অপৰিসীম।

মানুহে কথা কওঁতে বাগেন্দ্ৰিয়ৰ দ্বাৰা কিছুমান ধ্বনি উচ্চাৰণ কৰে আৰু এই উচ্চাৰিত ধ্বনিসমষ্টিৰ সহায়ত শব্দ সৃষ্টি কৰে। শব্দবোৰে একো একোটা ক্ৰমত থাকি একো একোটা বাক্য গঠন কৰে। শব্দবোৰ বাক্যৰ যিকোনো স্থানতে সংস্থাপিত কৰিলে নহয়। শব্দসমূহক উপযুক্ত স্থানতহে প্ৰয়োগ কৰিব লাগিব। তেতিয়াহে বাক্য এটাই সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পাৰিব। বাক্য যিহেতু কোনো ভাষা এটাৰ চানেকি তথা মানুহৰ মনোভাৱ প্ৰকাশ কৰাৰ এক বলিষ্ঠ মাধ্যম, সেয়েহে বাক্যত ব্যৱহৃত শব্দসমূহক উপযুক্ত ক্ৰম অনুসৰি সজালেহে বাক্য অৰ্থবহ হয়। গতিকে বাক্য হ'ল ভাষাৰ এক বৃহত্তম একক। ভাষাবিজ্ঞানী ব্লুমফিল্ডৰ মতে -

> "It is evident that the sentence in any utterance are marked off by the mere fact that each sentence is an independent linguistic form, not included by virtue of any grammatical construction in any larger linguistic form" [৪৯]

বাক্যতত্ত্বৰ ইৰাজী প্ৰতিশব্দ হৈছে Syntax। Syntax শব্দটো গ্ৰীক ভাষাৰ পৰা আহিছে। Syn মানে 'Together' ; Taxix মানে 'Arranging' অৰ্থাৎ শব্দৰ শৃঙ্খলাবদ্ধ সাজোনেৰে ভাষাৰ অৰ্থবহ সৰ্ববৃহৎ গোট (বাক্য) নিৰ্মাণৰ প্ৰক্ৰিয়াক বাক্যতত্ত্ব (Syntax) বোলে। বাক্য গঠন হয় বিভিন্ন পদৰ সমন্বয়ত। পদসমূহ হৈছে বাক্যতত্ত্বৰ আটাইতকৈ নিম্নতম গোট। সেয়েহে বাক্যতত্ত্বৰ মূল আলোচ্য বিষয় হৈছে পদসমূহৰ সুসংগঠিত ৰূপ। মুঠৰ ওপৰত বাক্যতত্ত্বত কোনো এটা ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ বিভিন্ন গাঠনি, বাক্যৰ প্ৰকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অৰ্ন্তনিহিত সুৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ অংগ সমূহৰ বিষয়ে আলোচনা

---

৪৯। Bloomfield, Leonard ঃ *Language,* page. 170

কৰা হয়।

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাটোক আৰু অধিক জানিবৰ বাবে বাক্যতত্ত্বৰ বিশ্লেষণ অতি প্ৰয়োজন। শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ আলোচনাত বাক্য গঠন প্ৰক্ৰিয়া, বাক্যত পদৰ ক্ৰম, বিভিন্ন দিশৰ পৰা বাক্যৰ শ্ৰেণীবিভাগ ইত্যাদি দিশক সামৰি আলোচনা আগবঢ়োৱা হব। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাটোৰ বাক্যতত্ত্ব তলত দিয়া ধৰণে ভাগ কৰিব পাৰি -

১। বাক্য গঠন প্ৰক্ৰিয়া

২। বাক্যত পদৰ ক্ৰম

৩। বাক্যৰ প্ৰকাৰ

### ২.২.১ বাক্য গঠন প্ৰক্ৰিয়া ঃ

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাটো যিহেতু কামৰূপী ভাষাৰ লগত বহু পৰিমাণে মিল আছে সেয়েহে বাক্যগঠন প্ৰক্ৰিয়াটো কামৰূপী ভাষাৰ লগত কিছু পৰিমাণে মিল থকা দেখা যায়।

সাধাৰণতে বাক্য এটা শব্দ আৰু পদৰ সুসমন্বয়তহে গঠিত হয়। অৰ্থাৎ বাক্য এটা সাজিবলৈ হলে পদ আৰু শব্দৰ সুসমন্বয় হব লাগিব। পদসমূহক যতে-ততে বহুৱাই দিলে নহব। অৰ্থযুক্ত শব্দ আৰু পদসমষ্টিক যথা স্থানত বহুৱালে বাক্য এটাই সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পাৰে। সাধাৰণতে সৰল অসমীয়া বাক্য এটিৰ স্বাভাৰিক গঢ় হ'ল কৰ্তা-কৰ্ম-ক্ৰিয়া। কৰ্তা-কৰ্ম আৰু ক্ৰিয়াই এটা ক্ৰম ৰক্ষা কৰিহে বাক্যত বহে যেনে- মই ভাত খালোঁ। কিন্তু শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত এনে ক্ৰম ৰক্ষিত হোৱা দেখা নাযায়। বাক্যসমূহত কেতিয়াবা কৰ্তা-কৰ্ম-আৰু ক্ৰিয়াৰ মাজত কোনো ক্ৰম নাথাকে। কিছুমান বাক্যত কেতিয়াবা ক্ৰিয়াটো বাক্যৰ আগত বহে -

খালাক না সি ভাত।

বহি বহি হেন্‌তে কিনু কৰ্‌ছা।

কেতিয়াবা ক্ৰিয়া পদটো বাক্যৰ মাজতো বহে। কেতিয়াবা আকৌ এটা বাক্যত দুটাকৈ ক্ৰিয়া বহে যেনে-

বন কৰ্‌লিহে ভাগৰ লাগে না।

অয়ো নবহংতে ময় বহিলং।

ময় নাযাংতে সি গেল।

সাধাৰণতে ক্ৰিয়া বিশেষণৰ স্থান ক্ৰিয়াৰ আগত। কিন্তু শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাটোত ক্ৰিয়া বিশেষণ কেতিয়াবা কৰ্তাৰ আগত, কেতিয়াবা কৰ্মৰ আগত বা পিছত আৰু কেতিয়াবা ক্ৰিয়াৰ পিছত ব্যৱহাৰ হয়। যেনে -

তয়াক যাবা কছু না লাহে লাহে।

অৱশ্যে বাক্যৰ এই উপাদানসমূহৰ স্থানৰ সলনি হলেও অৰ্থৰ একো সলনি নহয়।

**২.২.২ বাক্যত পদৰ ক্ৰম ঃ**

শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ বাক্যত তলত দিয়া পদবোৰ দেখা যায় -

কাৰকবাচক পদ

ক্ৰিয়া পদ

বিশেষণ পদ

অব্যয় পদ

ইয়াৰ উপৰিও শৰণীয়া-কছাৰীসকলৰ কথিত অসমীয়া ভাষাৰ ক্ৰিয়াহীন আৰু ক্ৰিয়া থকা বাক্যও দেখা যায় -

ক্ৰিয়াহীন - তায়া একা মস্তি আপী (হয়)।
ইটু তেজা লাউ এ (হয়েই)।
অয়া চবগিলা পঠনা (হয়)।

ক্ৰিয়া থকা - আপিটুই মস্তি চং গায়।
মই ভাত খালং।
জল আতুৰ লাগ্‌ছি।
গৰুটুই ঘাঁহ খাছি।
ত'ৰতৰাটু দচদচীত ত'হাৰিলা।
ৰীণাই খেক্ পেল্‌ছি।

ক্ৰিয়াহীন আৰু ক্ৰিয়াথকা বাক্যবোৰত বিশেষ্য, বিশেষণ, সৰ্বানাম আদি পদ থাকে।

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাৰ বাক্যৰ মাজত কিছুমান বৈশিষ্ট্যপূৰ্ণ বাক্য থকা দেখা যায়।

বাক্যৰ মাজে মাজে হেনে, হেন্তে, গন্তে আদি ব্যৱহাৰ হয়। যেনে-

সেই গন্তে মই আহিলং।

সি ত'ফল হয় হেনে জী আছে।

মিচিক মাচাক কৰি হেনে নাচি থাক্।

বহি বহি কৰি হেন্তে কিনু কৰ্‌ছা।

সেইদৰে বাক্যৰ মাজে মাজে 'চু' স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ মনকৰিবলগীয়া। কেতিয়াবা 'চু' স্বাৰ্থিক প্ৰত্যয় বাক্যৰ শেষতো ব্যৱহাৰ হয়। যেনে -

| | |
|---|---|
| তয়োৰ হাতত চু টকা নায়। | ঃ তেওঁৰ হাতত দেখোন টকা নাই। |
| তয়াচু চুৰ নহয়। | ঃ তুমি চোৰ নহয়। |
| তয়া পাগ্‌লী নহয় চু। | ঃ তুমি পাগলী নহয়। |

অনিশ্চয়তাবাচক বাক্য আৰু হয়সূচক/নহয়সূচক বাক্যৰ শেষত 'না' শব্দাংশ লগাই কথা কোৱাটো মনকৰিবলগীয়া। যেনে -

| | |
|---|---|
| তয়ো গিলি ময় আহিম না। | ঃ তেওঁ গলে মই আহিম। |
| তয়া খালিহে সি খাবু না। | ঃ তুমি খালেহে সি খাব। |
| বন কৰ্‌লিহে ভাগৰ লাগে না। | ঃ কাম কৰিলেহে ভাগৰ লাগে। |
| স্কুলত যায় হেনে পঠন কৰ্‌বি না। | ঃ স্কুলত গৈ পঢ়িবি। |
| খেৰ বুহুত বগী হয় না। | ঃ গাখীৰ বহুত বগা হয়। |
| মিক্‌ৰী দেখাত বৰ'ত'ৰাৰ নিচিনা না। | ঃ মেকুৰী দেখাত বাঘৰ দৰে। |

নিশ্চিত অৰ্থ বুজাবলৈ বাক্যৰ শেষত সাধাৰণতে 'এ' বৰ্ণৰ সংযোগ ঘটে। যেনে -

| | |
|---|---|
| ইটু মিঠালাউ এ। | ঃ এইটো মিঠালাউ হয়েই। |

সম্ভাৱনীয়তাৰ বাক্য বুজাবলৈ ক্ৰিয়া শব্দৰ শেষত 'আক্' বা 'ক' ৰ সংযোগ ঘটে। যেনে -

| | |
|---|---|
| উৰ্‌লাক হয়। | ঃ উৰিলে হয়। |
| কৰ্‌লাক হয়। | ঃ কৰিলে হয়। |
| খালাক্ হয়। | ঃ খালে হয়। |
| পৰ্‌লাক হয়। | ঃ পৰিলে হয়। |

### ২.২.৩ বাক্যৰ প্ৰকাৰ ঃ

বাক্য হৈছে কিছুমান অৰ্থযুক্ত পদৰ সমষ্টি। এটা বা তাতোকৈ অধিক পদ লগ লাগি এটা চুটি বাক্য গঠন কৰা হয় আৰু অধিক পদ বা বাক্যাংশ লগ লাগি এটা দীঘল বাক্য গঠন কৰা হয়। কেতিয়াবা কোনো বাক্যত ব্যৱহৃত বাক্যাংশই স্বাধীন অৰ্থ প্ৰকাশ কৰে আৰু কেতিয়াবা আন এটা বাক্যাংশৰ ওপৰত নিৰ্ভৰশীল। সেইদৰে বাক্য এটাত প্ৰকাশ পোৱা ভাৱ অনুসৰিও বাক্যসমূহক বিভিন্ন ভাগত ভগোৱা হয়। সেইদৰে বাক্য এটাত থকা অৱস্থানগত বিভাগ অনুসৰিও বাক্যএটাক ভগোৱা হয়। শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত ব্যৱহৃত বাক্যক বৈশিষ্ট্য আৰু অৱস্থান অনুসৰি তলত দিয়া ধৰণে ভগোৱা হয় --

### ২.২.৩.১ গঠন অনুসৰি বাক্যৰ প্ৰকাৰ ঃ

**সৰল বাক্য ঃ** সৰল বাক্য সমূহত সাধাৰণতে এটা কৰ্তা আৰু এটা সমাপিকা ক্ৰিয়া থাকে। অৱশ্যে কেতিয়াবা কৰ্তাহীন, কৰ্মহীন আৰু ক্ৰিয়াহীন সৰল বাক্যও দেখা যায়। উদাহৰণস্বৰূপে -

মই কৰছং। ঃ মই কৰিছো।

মই ভাত খাছং। ঃ মই ভাত খাইছো।

তয়ো লোকে লিখা পাঠ পঠন কৰ্ছি। ঃ তেওঁলোকে কিতাপ পঢ়িছে।

এত থাক্পা নৰি দে। ঃ ইয়াত থাকিব নোৱাৰি।

তিৰিকাউৰা, তেংকে নক্বি দে। ঃ তিৰিকাউৰা তেনেকৈ নকবি।

কেতিয়াবা কৰ্তা নোহোৱা সৰল বাক্যও দেখা যায়।

দাৰুৰ মেদ পাৰ হৈ গেল। ঃ ঔষধৰ ম্যাদ উকলি গ'ল।

উচি দিখত সাজা নাই । ঃ উত্তৰ দিশত ঘৰ নাই।

**জটিল বাক্য ঃ** শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাত থকা জটিল বাক্যত এটা প্ৰধান বাক্য থাকে আৰু এই প্ৰধান বাক্যটো আন এটা অপ্ৰধান বাক্যৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। উদাহৰণস্বৰূপে -

- হাবিত গেলি অয়োক বৰত'ৱাই খালক হয়।
  হাবিত গ'লে আমাক বাঘে খালে হয়।
- মই পাইলাৰ ওচ্ৰোত থকা কাক্ৰালক চিন্বা যাবা নৰোং দে।
  মই পালিয়াৰ ওচৰত থকা কেৰেলা চিঙিব নোৱাৰো।

● তয়া দুখি গুটিকে লঘোনে আছে।

তেওঁ দুখিয়া গতিকে লঘোনে আছে।

● এই চলি এই দুপ্ৰাখান কি আং বাং কৰি দেও-ভূতে ধৰা মানুহৰ দৰে ঘুৰি ফুৰ্চা।

এই ল'ৰা এই দুপৰীয়াখন কিয় অনাই বনাই ঘুৰি ফুৰিছ।

**যৌগিক বাক্য ঃ**

একাধিক সৰল বাক্য বা জটিল বাক্যক কিন্তু, যদি, তেন্তে, তথাপি, আৰু, অথবা, নাইবা আদি সংযোজক অব্যয়ৰ সহায়ত লগ লগাই যি বাক্য কৰা হয় সেই বাক্যই যৌগিক বাক্য। শৰণীয়া-কছাৰীসকলৰ যৌগিক বাক্যসমূহ সাধাৰণতে গুতিকে, অথচ, কিয়নো, গন্তে, হেন্তে, অথচ, কিয়নো, পিছেপি, কিন্তু ইত্যাদি সংযোজক অব্যয় ব্যৱহাৰ কৰি যৌগিক বাক্য গঠন কৰা হয়। উদাহৰণস্বৰূপে -

● তাৰ নিচ্না খুম নহা আপাটুৰ তাত মই নাযাং দে।

তোৰ নিচিনা অকামিলা ল'ৰাটোলৈ মই নাযাও।

● অ' পিতাই তই আজি তই আজি হাটুক যাবি আৰু কাই্মা সূতা আন্‌বি ।

পিতা তই আজি হাটলৈ যাবি আৰু মোৰ কাৰণে সূতা আনিবি।

● অ' ডাঙাৰ আপি মই জুখিচাইটি হাতৰ আহুচফেলাত যাম, তই কিন্তু নাযাবি।

অ' ডাঙৰ ছোৱালী মই জুখিচাইটিহতৰ অশৌচ পেলোৱাত যাম, তই নাযাবি।

● অ' ডাংপা তই মৌলাবাৰী পথ্ৰক যাবি আৰু বেহাৰ কুটলিগিলান আনবি।

অ' ডাঙৰ ল'ৰা তই মৌলাবাৰী পথাৰলৈ যাবি আৰু সৰিয়হৰ জাবৰবিলাক আনিবি।

উল্লেখিত যৌগিক বাক্যকেইটাৰ বাহিৰেও আন কেতবোৰ ছুটি-ছুটি যৌগিক বাক্য হ'ল -

| | |
|---|---|
| কিয়ানু সি গেল | ঃ কিয়নো সি গ'ল। |
| সি যাবা নুৰে গুতিকে ময় যাং | ঃ সি যাব নোৱাৰে গতিকে মই যাম। |
| তেনেহুলি মই নাযাং | ঃ তেনেহলে মই নাযাও। |
| যদুৰ সতে সি যাবু | ঃ যদুৰ লগত সি যাব। |
| সি আৰো মই যাম | ঃ সি আৰু মই যাম। |
| তাক লয়/লিগি পইচা দি | ঃ তালৈ পইচা দে। |

| | |
|---|---|
| দুকা কি তিকা ছলি আহিবুং। | ঃ দুটা বা তিনিটা শিশু আহিব। |
| তয় নাখালি কিন্তু মই খাং। | ঃ তই নাখালি কিন্তু মই খাও এতিয়া। |
| সি আহিল তথাপি ময় নেগলং | ঃ সি আহিল অথচ মই নগলো। |
| আপীটোই কান্দ্ছি | ঃ ছোৱালীজনীয়ে কান্দিছে |
| তথাপি মাক নাহিল। | তথাপি মাক নাহিল। |
| খাবি না নাখা? | ঃ খাবিনে নাখাৱ? |
| পিহীৰে নহ্লিবা তুমি আহিবা | ঃ পেহী নহলে তুমি আহিবা। |
| তয়ো যাবু পিছে ময় নাযাং। | ঃ তেওঁ যাব কিন্তু মই নাযাও। |
| আপীটু ফিকুৰি ফিকুৰি আছে, | ঃ ছোৱালীজনীয়ে কান্দি আছে |
| পিছেপি মায়াক নহিলং। | তথাপি মাক নাহিল |
| ইটু ৰীনা হয়না ৰীনাৰ পিহী? | ঃ এইজনী ৰীনা নে ৰীনাৰ পেহী? |

**২.২.৩.২ অৱস্থানগত অনুসৰি বাক্যৰ প্ৰকাৰ ঃ**

শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাৰ বাক্যত দুটা অৱস্থানগত বিভাগ থাকে -

(i) উদ্দেশ্য (Subject)

(ii) বিধেয় (predicate)

উদ্দেশ্য আৰু বিধেয়ৰ সুসম্পৰ্কত বাক্যৰ গঠন হয়। বাক্যৰ এফালে থাকে কৰ্তা পদ আনফালে ক্ৰিয়াপদ থাকে। কৰ্তা আৰু কৰ্তাৰ অনুগামী পদবোৰ লগ-লাগি উদ্দেশ্য গঠন হয়। আনহাতে ক্ৰিয়াপদ আৰু ক্ৰিয়াপদৰ অনুগামী সকলো পদকে বিধেয় বোলে। অৱশ্যে উদ্দেশ্যৰ বিভাগত প্ৰধানত কৰ্তাই থাকে। কেতিয়াবা কৰ্তাপদৰ সম্প্ৰসাৰণ পদ থাকে। সেইদৰে বিধেয়ৰ ভাগটোত ক্ৰিয়াপদৰ লগত আসন্ন হৈ কৰ্মপদ, অপাদান, নিমিত্তাৰ্থক, কৰণ আদিৰ লগতে কৰ্মপদ, ক্ৰিয়াবিশেষণ আদি সকলো থাকে। এই ক্ৰিয়াপদৰ আসন্ন পদবোৰক সম্প্ৰসাৰণ পদ বুলিব পাৰি।

| উদ্দেশ্য | | বিধেয় | |
|---|---|---|---|
| সম্প্রসাৰক | কৰ্তা | সম্প্রসাৰক | ক্রিয়া |
| বুঢ়া | মানুহজন | পকা আমটো চুহি চুহি | খালে |
| লেংটা | আপাটু | ফিক্‌ৰি ফিক্‌ৰি ঘৰোক | গেছি |
| চানা | আপীটুই | নাচি নাচি | গাছি |
| | | ছোৱালীজনীয়ে নাচি নাচি | গান গাইছে |

## ২.২.৩.৩ ভাৱ অনুসৰি বাক্যৰ প্রকাৰ ঃ

ভাৱ প্রকাশৰ ফালৰ পৰাও শৰণীয়া-কছাৰীসকলৰ কথিত ভাষাৰ বাক্যক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি -

- বৰ্ণনাত্মক বাক্য
- প্রশ্নসূচক বাক্য
- আদেশ বা অনুৰোধসূচক বাক্য
- সন্দেহবোধক বাক্য
- বিস্ময়সূচক/আশ্চৰ্যসূচক/ভাৱবোধক বাক্য
- ইচ্ছাসূচক বাক্য

প্রতিটো বাক্যৰে আকৌ হয়সূচক আৰু নহয়সূচক দুটা ৰূপ আছে।

**বৰ্ণনাত্মক বাক্য ঃ** সাধাৰণভাৱে কোনো বিষয়ৰ বৰ্ণনা কৰা বাক্যবোৰেই হৈছে বৰ্ণনাত্মক বাক্য। বৰ্ণনাত্মক বাক্যবোৰে মনৰ ভাব প্রকাশ হোৱা বা নোহোৱা দুয়োটা বুজায়। যেনে -

আপীটু গাভৰা হয় গেল। ঃ ছোৱালীজনী গাভৰু হৈ গ'ল।

ত'ৰত'ৰাট দচ্‌দচীত ত' হাৰিলা। ঃ কাছটো এশবছৰত মৰিলে।

কিন্‌কিনা বৰখুন আহিলা/আহিছে। ঃ কিনকিনীয়া বৰষুণ আহি গ'ল।

ৰীনাই নাচ্‌পা নায়জানে। ঃ ৰীনাই নাচিব জনা নাই।

হৰিয়ে দুপা ভাত খ'ৰা নায়। ঃ হৰিয়ে আজি ভাত খোৱা নাই।

**প্ৰশ্নবোধক বাক্য ঃ**

যি বাক্যই প্ৰশ্ন সোধা বুজায় নাইবা মনৰ মাজত প্ৰশ্নৰ ভাৰ জগাই তেনে বাক্যই প্ৰশ্নবোধক বাক্য।

| | |
|---|---|
| ম'য়ো চম্‌কা/দেখনাৰ হয়না? | ঃ ময়ো ধুনীয়া হয়নে? |
| গুৰুৱে মাচ খায়না? | ঃ গৰুৱে মাছ খায় জানো? |
| পাচি দিখত বেলি উঠে না? | ঃ পশ্চিমত সূৰ্য উদয় হয়নে? |
| সি ভাত খাবু নেকি? | ঃ সি ভাত খাব নেকি? |
| ময় তায়াক ভাল পাও নিকি? | ঃ মই তাইক ভাল পাও নেকি? |
| তয়া ভাত লবা/খাবা নিকি? | ঃ তুমি ভাত খাবা নেকি? |
| ইখান কিনু দীঘ? | ঃ এইখন কি নৈ? |
| তই কিনু কৰ্‌ছা? | ঃ তই কি কৰিছ? |
| তুই নাযাহ কিয়া? | ঃ তই নাযাৰ কিয়? |
| সি যাবু না? | ঃ সি যাবনে? |
| সি মৰিবু নেকি? | ঃ সি মৰিব নেকি? |
| আজি দুপা কি ভাত খামনু? | ঃ আজি দুপৰীয়া ভাত খামনে? |

**ইচ্ছাবাচক বাক্য ঃ**

মনৰ ইচ্ছা, আকাংক্ষা, প্ৰাৰ্থনা আদি প্ৰকাশ কৰা বাক্যক ইচ্ছাবাচক বাক্য বোলে।

| | |
|---|---|
| তয়া ভালে থাকা? | ঃ তুমি ভালে থাকা। |
| গহাঁয় কুশল কৰোক। | ঃ ভগৱানে কুশলে ৰাখক। |

**ভাৱবোধক বাক্য ঃ**

অন্তৰৰ আনন্দ, বিষাদ, ক্ৰোধ, ঘৃণা আদি প্ৰকাশ পোৱা বাক্যক ভাৱবোধক বাক্য বোলে।

| | |
|---|---|
| ম'ৰ বহনপাৰিখানত বুহুত বেদনা আছে। | ঃ মোৰ বুকুত বহুত বেদনা আছে। |
| তয়া লাভত পৰছা হব পায়? | ঃ তুমি প্ৰেমত পৰিছা বোধহয়? |
| অহোঃ বৰ গৰম। | ঃ উহঃ বৰ গৰম। |

আচঃ বৰ ভাল লাগ্‌ছি। ঃ আঃ বৰ ভাল লাগিছে।

আয়েচি'কো কেনে কথা হছি এ। ঃ আইহাৰে কেনেকুৰা কথা কয়।

ইচোঃ মৰ ৰেমা লাগে। ঃ ইচঃ মোৰ লাজ লাগে।

উচঃ কি দিন পৰলা। ঃ উসঃ কি দিন পৰিল।

ছিয়ো/চি ময় গেলা পেগ খ'বা নায়। ঃ ছিঃ মই মদ খোৱা নাই।

হায়! কি দিন পৰ্‌লাক। ঃ হায়! কি দিন পৰিলে।

**সন্দেহবোধক বাক্য ঃ** মনত সন্দেহ ভাৱ জগাই তোলা বাক্যকে সন্দেহ বোধক বাক্য বোলে। বোধকৰো, বোধহয়, আশাকৰো, হয়তো আদি ক্ৰিয়া বিশেষণ ব্যৱহাৰ কৰি সন্দেহ বোধক বাক্য গঠন কৰা হয়।

ৰামু গিলি ময় ভাত খাম না। ঃ ৰাম গলেহে মই ভাত খাম।

সি হবলা ভাত খালাক। ঃ সি বোধহয় ভাত খালে।

মই গেলি সি কিজানি আহে। ঃ মই গলে সি কিজানি আহে।

তয়ে গিলি ময় আহিমনা। ঃ তেওঁ গলে মই আহিমনে নাই নাজানো।

সি যিদি নাহে ময় কেন্‌কে যাং ঃ সি যদি নাহে মই কেনেকৈ যাওঁ?

তই ৰামুৰ মায়াক হয়না? ঃ তই ৰামুৰ মায়েক হয়নে?

তুই গেলিহে মই যাম। ঃ তুমি গলেহে মই যাম।

**আজ্ঞাসূচক বাক্য ঃ** আজ্ঞা, অনুৰোধ, আদেশ, উপদেশ আদি দিয়া বাক্যক আজ্ঞাসূচক বাক্য বুলি কয়।

বনটু ইতানে কৰি থৌ/থ'। ঃ কামটো এতিয়াই কৰি থোৱা।

ইতানে ভাত খাম ল'ক। ঃএতিয়াই ভাত খাই লোৱা।

সি ত' একা দান দিবা খুজিছি। ঃ সি কিবা এটা দান দিবা বিছাৰিছে।

ম'ক যাবা দিয়ক। ঃ মোক যাবলৈ দিয়ক।

দাহালটুক হেত দিয়া হ'ক/দিয়ক। ঃ ডকাইতটোক ফাচী দিয়া হওঁক।

**সাম্ভাব্যবোধক বাক্য ঃ** সম্ভাৱনা চৰ্ত আদি প্ৰকাশ কৰা বাক্যক সাম্ভাব্যবোধক বাক্য বোলে।

হৰি যিতা আহিবু, তিতা ময় যাম। ঃ হৰি যেতিয়া আহিব, মই তেতিয়া যাম।

ৰাম যিতান বাহিৰত থাক্‌পো, ময় ঘৰ সমাম। ঃ ৰামে যেতিয়া বাহিৰত থাকিব, তেতিয়া মই ঘৰলৈ আহিম।

কব পাৰি যে কোনো এটা ভাষাৰ আভ্যন্তৰীণ বিষয়সমূহ ভালদৰে জানিবলৈ হ'লে বাক্যতত্ত্বৰ বিশ্লেষণ নিতান্তই জৰুৰী।